শিক্ষন সমল নং ঃ ৩

## শ্ৰেণী-অষ্টম
## বিষয়- সমাজ বিজ্ঞান

**শিকন ঘাটি ঃ**

NAS কাৰ্যসূচীত নিম্ন ফলাফল দেখুওৱা দিশসমূহ—মৌলিক অধিকাৰ, শিশুৰ শিক্ষাৰ অধিকাৰ, পাৰিবাৰিক হিংসা নিবাৰক আইন।

**শিকন ফলাফল ঃ**

আইন প্ৰণয়ন প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰিব পাৰিব।

**আনুষংগিক শিকন ফলাফল ঃ**

১) নাগৰিকৰ মৌলিক অধিকাৰসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

২) বিশেষভাৱে সংবিধান প্ৰদত্ত শিশুৰ শিক্ষাৰ অধিকাৰ সম্পৰ্কে আলোচনা কৰিব পাৰিব।

৩) মৌলিক অধিকাৰৰ ৰক্ষণাবেক্ষণত ন্যায়ালয়ৰ ভূমিকা বৰ্ণনা কৰিব পাৰিব।

**অধ্যায় ঃ**

অষ্টম শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ সংগতিপূৰ্ণ পাঠ-২৩ 'মৌলিক অধিকাৰ'।

**পাতনি ঃ**

নাগৰিকৰ ব্যক্তিত্বৰ বিকাশ আৰু শান্তিপূৰ্ণ আৰু স্বাচ্ছন্দ জীৱন যাপনৰ বাবে সমাজত এটা সুস্থ বাতাবৰণৰ প্ৰয়োজন। ভাৰতীয় সংবিধানে সেই বাতাবৰণ সৃষ্টিৰ বাবে সংবিধানত কিছুমান অঙ্গীকাৰ কৰিছে। সেই সমূহেই হৈছে মৌলিক অধিকাৰ। সংবিধানত ১৪নং অনুচ্ছেদৰ পৰা ৩৫ নং অনুচ্ছেদলৈ ৬ প্ৰকাৰৰ মৌলিক অধিকাৰ সন্নিবিষ্ট কৰা হৈছে। যিবোৰ হৈছে — (১) সমতাৰ অধিকাৰ, (২) স্বাধীনতাৰ অধিকাৰ, (৩) শোষণৰ বিৰুদ্ধে অধিকাৰ, (৪) শিক্ষা আৰু সংস্কৃতিৰ অধিকাৰ, (৫) ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ, (৬) সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ।

শিশুৰ শিক্ষাৰ অধিকাৰো শিক্ষা আৰু সংস্কৃতিৰ অধিকাৰৰ অন্তৰ্ভুক্ত আৰু পাৰিবাৰিক হিংসাৰ বিৰুদ্ধে অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰো মৌলিক অধিকাৰৰ অন্তৰ্ভুক্ত। উক্ত মৌলিক অধিকাৰসমূহ বিভিন্ন সময়ত উলংঘন হোৱা দেখা যায়। সংবিধান প্ৰদত্ত মৌলিক অধিকাৰ খৰ্ব হ'লে নাগৰিকে ন্যায়ালয়ৰ কাষ চাপিব পাৰে। ন্যায়ালয়ে নাগৰিকক সেই অধিকাৰসমূহ লাভ কৰাত সহায় কৰিবলৈ বাধ্য।

**কাৰ্য নং-১ ঃ** (শিক্ষকে অভিৰোচনাৰ বাবে এটি ঘটনা/কাহিনী উপস্থাপন কৰিব)।

"ৰাতুলহঁতৰ বিদ্যালয়খনৰ নাম মিলনজ্যোতি প্ৰাথমিক বিদ্যালয়। এদিনাখন এজন মানুহে এটা ৭/৮ বছৰীয়া ল'ৰা লগত লৈ বিদ্যালয়খনলৈ আহিল। তেওঁ ল'ৰাজনক বিদ্যালয়ত নামভৰ্তি কৰাবলৈ বিচাৰিলে। প্ৰধান শিক্ষকে তেওঁৰ নামভৰ্তি কৰাবলৈ অস্বীকাৰ কৰিলে। মানুহজনে কাৰণ জানিবলৈ বিচৰাত তেওঁক কোৱা হ'ল যে যিহেতু তেওঁ বিশেষ জনগোষ্ঠীৰ ল'ৰা, ভাষাকে ধৰি বিভিন্ন সমস্যা হ'ব পাৰে সেয়েহে নামভৰ্তি কৰাত অসুবিধা। সমাজে বাধা দিব। উপায়হীন হৈ তেওঁ পুলিচৰ কাষ চাপিল আৰু থানাত এটা গোচৰ তৰিলে। শেষত আইনৰ ওচৰত হাৰ মানি বিদ্যালয় কৰ্তৃপক্ষই ল'ৰাজনক নামভৰ্তি কৰোৱালে। ন্যায়ালয়ে মানুহজনক ন্যায় পোৱাত সহায় কৰিলে।"

উক্ত ঘটনাৰ পৰা আমি দেখা পালো যে বিদ্যালয় কর্তৃপক্ষই ছাত্রজনক বিদ্যালয়ত নামভর্তি কৰিবলৈ অস্বীকাৰ কৰি সংবিধানে দিয়া দুটাকৈ মৌলিক অধিকাৰ উলংঘন কৰিবলৈ ওলাইছিল। এটা হৈছে 'সমতাৰ অধিকাৰ' অর্থাৎ জাতি, ধর্ম নির্বিশেষে সকলোৰে বাবে সম অধিকাৰ আৰু আনটো হৈছে শিশুৰ শিক্ষাৰ অধিকাৰ। এই সংবিধান প্রদত্ত অধিকাৰসমূহ খর্ব হ'লে ন্যায়ালয়ে নাগৰিকৰ অধিকাৰ ৰক্ষণাবেক্ষণত সহায় কৰিবলৈ বাধ্য।

উক্ত ঘটনাৰ আলমত শিক্ষকে তলত দিয়া প্রশ্নসমূহ অৱতাৰণা কৰিব পাৰে —

ক) কি অজুহাত দেখুৱাই প্রধান শিক্ষকে বিদ্যালয়ত ল'ৰাজনৰ নামভর্তি কৰিবলৈ অস্বীকাৰ কৰিছিল?

খ) মানুহজনে উপায়হীন হৈ কাৰ কাষ চাপিছিল?

গ) বিদ্যালয় কর্তৃপক্ষই ল'ৰাজনৰ কি অধিকাৰ উলংঘন কৰিছিল?

ঘ) সংবিধান প্রদত্ত অধিকাৰৰ ৰক্ষণাবেক্ষণ কোনে দিয়ে?

ছাত্র-ছাত্রীৰ সহাঁৰিৰ আলমত শিক্ষকে নাগৰিকৰ মৌলিক অধিকাৰ আৰু সেইবোৰৰ ৰক্ষণাবেক্ষণ সম্পর্কে আলোচনা কৰিব।

## <u>কার্য নং - ২ ঃ</u>

ছাত্র-ছাত্রীক তেওঁলোকৰ অঞ্চলত বা গাঁওখনত এনেধৰণৰ মৌলিক অধিকাৰ খর্ব হোৱাৰ কোনো ঘটনা দেখিছে নেকি দলত আলোচনা কৰি লিখিবলৈ দিব।

ছাত্র-ছাত্রীৰ উত্তৰসমূহ প্রতিটো দলকে ক'বলৈ দিয়া হ'ব। উত্তৰৰ ওপৰত ভিত্তি কৰি শিক্ষকে মৌলিক অধিকাৰ উলংঘনৰ বিভিন্ন উদাহৰণ সমাজৰ পৰা দিব পাৰে। জাতি-ভেদ, সামাজিক অসমতা, শিশু শ্রমিকৰ ঘটনা, গ্রাহস্থ্য হিংসা আদিৰ প্রসংগতে শিক্ষকে ছাত্র-ছাত্রীক সংবিধান প্রদত্ত মৌলিক অধিকাৰ সুৰক্ষাৰ বাবে থকা আইন কেইখনৰ কথা ক'ব পাৰে। যেনে — (১) শিশু শ্রমিক নিষিদ্ধকৰণ আইন, (২) তথ্য জনাৰ অধিকাৰ আইন, (৩) গ্রাহস্থ্য হিংসা নিবাৰক আইন আৰু (৪) শিক্ষাৰ অধিকাৰ আইন আদি।

## <u>কার্য নং - ৩ ঃ</u>

শিক্ষকে মৌলিক অধিকাৰৰ সহায় লোৱা বা উপভোগ কৰা বিভিন্ন ছবি, খবৰ কাকতৰ কাটিং অথবা ভিডিঅ' প্রদর্শন কৰিব পাৰে। একেদৰে মৌলিক অধিকাৰ উলংঘনৰ বিভিন্ন ঘটনাও প্রদর্শন কৰিব পাৰে। উদাহৰণস্বৰূপে পাঠ্যপুথিৰ ১৯১ নং পৃষ্ঠাত থকা ছবি কেইখন ছাত্র-ছাত্রীক বিশ্লেষণ কৰি একোটাকৈ টোকা দলত প্রস্তুত কৰিবলৈ দিব। শিক্ষকে টোকাসমূহ নিৰীক্ষণ কৰি প্রয়োজনীয় পৰিপুষ্টি দিব।

## <u>কার্য নং - ৪ ঃ</u>

শিক্ষকে তলৰ বিষয়টোক লৈ ছাত্র-ছাত্রীৰ মাজত এখন তর্ক প্রতিযোগিতা আয়োজন কৰিব পাৰে। **<u>বিষয় ঃ "ভাৰতত সংবিধান প্রদত্ত মৌলিক অধিকাৰে নাগৰিকৰ সর্বাংগীন বিকাশত সহায় কৰিছে।"</u>**

তর্ক প্রতিযোগিতাত শিক্ষকে বিচাৰকৰ ভূমিকা পালন কৰি বিজয়ী দল ঘোষণা কৰিব আৰু মৌলিক অধিকাৰসমূহ বিশ্লেষণ কৰি ইয়াৰ সুবিধা-অসুবিধাসমূহৰ বিষয়ে বুজাই ক'ব।

## <u>কার্য নং - ৫ ঃ</u>

ছাত্র-ছাত্রীৰ মাজত 'শিশু শ্রমিক নিয়োগ'ৰ বিৰুদ্ধে অথবা 'বাক স্বাধীনতাৰ হকে' বা 'জাতি-ভেদ প্রথা'ৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে শ্লোগান অথবা পোষ্টাৰ তৈয়াৰ কৰাৰ প্রতিযোগিতা আয়োজন কৰিব পাৰে। এইক্ষেত্রত শিক্ষকে ছাত্র-ছাত্রীসকলক পার্যমানে সহায় কৰিব।

## মোখনী ঃ

মৌলিক অধিকাৰৰ গুৰুত্ব আৰু নাগৰিকৰ অধিকাৰ, সাংবিধানিক ব্যৱস্থা ও আইনী সুৰক্ষাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত আলোচনা কৰি সেই দিশসমূহৰ বিষয়ে তেওঁলোকৰ মনত সজাগতা সৃষ্টি কৰিব পাৰে। এনেবোৰ আলোচনাই ছাত্ৰ-ছাত্ৰীক সামাজিক ঘটনা-পৰিঘটনাৰ বিশ্লেষণ কৰাৰ দক্ষতা গঢ়ি দিব পাৰে। সমাজখন শৃংখলাবদ্ধভাৱে পৰিচালিত কৰিবৰ বাবে আৰু সকলো ব্যক্তিৰে মান, স্বাভিমানক ৰক্ষণাবেক্ষণ দিবৰ বাবে সংবিধানত মৌলিক অধিকাৰ সন্নিৱিষ্ট কৰা হৈছে। সেই অধিকাৰ কেনেবাকৈ খৰ্ব হ'লে সমাজত বিশৃংখলতাৰ সৃষ্টি হয়। সেয়েহে, সংবিধান প্ৰদত্ত এই অধিকাৰসমূহৰ প্ৰতি সকলোৱে যাতে সচেতন আৰু সজাগ হৈ থাকে তাৰ প্ৰতি যৎপৰোনাস্তি চেষ্টা কৰাৰ প্ৰতি মনোভাৱ সৃষ্টি কৰাটো বৰ্তমান সকলোৰে কৰ্তব্য। ইয়াৰোপৰি শিক্ষকে মৌলিক অধিকাৰসমূহ যে চূড়ান্ত নহয়, ইয়াৰ কিছুমান সীমাবদ্ধতা আছে, লগতে অধিকাৰৰ সৈতে নাগৰিকৰ মৌলিক কৰ্তব্যও অতি প্ৰয়োজনীয় সেই বিষয়ে বুজাই দি ছাত্ৰ-ছাত্ৰীৰ ধাৰণা স্পষ্ট কৰি দিব পাৰিব।

## আৰ্হি প্ৰশ্ন

১) উত্তৰ দিয়া—

ক) মৌলিক অধিকাৰৰ এটা প্ৰধান উদ্দেশ্য কি?

খ) ভাৰতীয় সংবিধানে দিয়া মৌলিক অধিকাৰ এটাৰ নাম লিখা যিটো শিক্ষাৰ লগত জড়িত।

গ) শিশু শ্ৰমিক নিষিদ্ধকৰণ আইন কোন চনত বলৱৎ কৰা হৈছিল?

ঘ) মৌলিক অধিকাৰৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

ঙ) নাগৰিকসকলে মৌলিক অধিকাৰৰ পৰা বঞ্চিত হ'লে কাৰ সহায় ল'ব পাৰে?

২) অধিকাৰ বুলিলে কি বুজা?

৩) শিশুসকলক শ্ৰমিক হিচাপে কিয় নিয়োগ কৰা অনুচিত? কাৰণ উল্লেখ কৰা।

৪) কোনবিধ কাম কোনবিধ মৌলিক অধিকাৰৰ লগত জড়িত উল্লেখ কৰি নিম্নলিখিত তালিকাখন পূৰ কৰা।

| কাৰ্য | মৌলিক অধিকাৰৰ নাম |
|---|---|
| ক) বাতৰি কাকতত নিজৰ মতামত ব্যক্ত কৰা। | |
| খ) নিজ ধৰ্মৰ আচাৰ আচৰণ পালন কৰা। | |
| গ) নিজৰ জনগোষ্ঠীয় সংস্কৃতিৰ বিকাশত জড়িত হোৱা। | |
| ঘ) নিজৰ পছন্দৰ জীৱিকাত জড়িত হোৱা। | |
| ঙ) মূল্যবৃদ্ধিৰ বিৰুদ্ধে ৰাজহুৱা প্ৰতিবাদত অংশ লোৱা। | |

৫) তোমাৰ অঞ্চলত মৌলিক অধিকাৰৰ পৰা কোনোবা ব্যক্তিক সমাজৰ কোনো লোকে বঞ্চিত কৰিলে তুমি সেই অধিকাৰ দিয়াবৰ বাবে কি কি কৰিবা আৰু কেনেদৰে আগবাঢ়িবা তাৰ এখন আঁচনি তৈয়াৰ কৰা।

------------- ❑❑❑ --------------